**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 08-07-2025 **Time :** 0755Hrs.

## <u>Assamese Morning Bulletin</u>

উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক বিকাশ সুদৃঢ় কৰাৰ উপৰি সামুদ্ৰিক খণ্ডত অঞ্চলটোৰ যুৱক-যুৱতীসকলক কৰ্মসংস্থাপনৰ সুবিধা প্ৰদানৰ বাবে চৰকাৰে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। গুৱাহাটীত কালি এখন সংবাদমেলত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই কথা প্ৰকাশ কৰি কয়, যে ডিব্ৰুগড়ত স্থাপন হ'বলগীয়া সামুদ্ৰিক উৎকৰ্ষতা কেন্দ্ৰত অনাগত ১০ বছৰত ৫০ হাজাৰ ছাত্ৰ-ছাত্ৰীক প্ৰশিক্ষণ দিয়া হ'ব। তেওঁ লগতে কয়, যে নদী জলপথেৰে জাহাজৰ বছৰজোৰা নিৰৱচ্ছিন্ন আৰু সুচল চলাচলৰ বাবে নদী খননৰ ব্যৱস্থা কৰা হ'ব। তেওঁ লগতে বিশ্বৰ আগশাৰীৰ ল'জিষ্টিক কোম্পানী ৰেনাছে চলিত বৰ্ষতে ব্ৰহ্মপুত্ৰ আৰু বৰাকত পৰিৱেশ অনুকূল নাও চলোৱা আৰম্ভ কৰিব বুলি জানিবলৈ দিয়ে। যাত্ৰী আৰু মালবাহী জাহাজ চলাচল বৃদ্ধিৰ বাবে জলপথসমূহক উন্নত কৰিবলৈ উত্তৰ-পূৰ্বাঞ্চলত ৮৫টা কমিউনিটি জেটি নিৰ্মাণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলিও শ্ৰী সোণোৱালে প্ৰকাশ কৰে।

সংবাদমেলত শ্ৰী সোণোৱালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিগত ১১ বছৰত উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে ছয় লাখ কোটিৰো অধিক আৰ্থিক অনুদান প্ৰদান কৰা হৈছে বুলি উল্লেখ কৰে। শ্ৰী মোদীৰ **পৰিবহণৰ জৰিয়তে পৰিৱৰ্তন**ৰ মূলমন্ত্ৰই উত্তৰ-পূৰ্বাঞ্চলক সমৃদ্ধ কৰি তোলাৰ লগতে এক্ট-ইষ্ট নীতিৰ জৰিয়তে সমগ্ৰ অঞ্চলটো বৰ্তমান দক্ষিণ-পূব এছিয়াৰ কেন্দ্ৰবিন্দু হৈ পৰিছে বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০০

বিগত কিছুদিন ধৰি চুবুৰীয়া ৰাজ্য নাগালেণ্ডত ধাৰাষাৰ বৰষুণৰ ফলত গোলাঘাট জিলাৰ বিভিন্ন অঞ্চল বানৰ কবলত পৰিছে। জিলাখনৰ ধনশিৰি, কাকডোঙাকে ধৰি কেইবাখনো নৈৰ জলস্তৰ বৃদ্ধি পোৱাত পাঁচটা ৰাজহচক্ৰৰ ভালেমান অঞ্চল প্লাবিত হৈছে। সৰুপথাৰ, খুমটাই, নুমলীগড়, মৰঙীকে ধৰি দুকুৰিৰো অধিক গাঁও জলমগ্ন হৈছে। জিলা প্ৰশাসন আৰু জিলা দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ লগতে অন্যান্য বিভাগসমূহে কালি বিয়লি পৰ্যান্ত জিলাখনত ১৯ টা সাহায্য শিবিৰ মুকলি কৰে। জিলাখনৰ আয়ুক্ত পুলক মহন্তই বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি কালি পৰিস্থিতিৰ বুজ লয়। তেওঁ কালিয়নি নৈৰ দলংখনৰ তলত জমা হোৱা আৱৰ্জনা নিস্কাষণ প্ৰক্ৰিয়াও পৰিদৰ্শন কৰে। জিলা প্ৰশাসনৰ তথ্য অনুসৰি সৰুপথাৰ ৰাজহচক্ৰৰ ১৬ খন গাঁৱৰ এহেজাৰ ৪৫৭ গৰাকী লোক এই বানত ক্ষতিগ্ৰস্ত হৈছে। বিভিন্ন স্থানত মুকলি কৰা আশ্ৰয় শিবিৰত ৩৭৮ গৰাকী লোকে আশ্ৰয় লোৱাৰ লগতে এহেজাৰ ৭৯ জন লোকে অন্য নিৰাপদ স্থানত আশ্ৰয় লৈছে। কালি বিধায়ক বিশ্বজিৎ ফুকনে সৰুপথাৰ অঞ্চলৰ বান ক্ষতিগ্ৰস্ত ৰাইজৰ অৱস্থাৰ বুজ লয়।

ইপিনে কাৰ্বি পাহাৰৰ পৰা বৈ অহা ঢলে হোজাই জিলাৰ দবকাৰ দক্ষিণগাঁও অঞ্চল প্লাবিত কৰিছে। দবকা পৌৰ সভাৰ পাঁচ নম্বৰ ৱাৰ্ডত মথাউৰি ছিগি যোৱাৰ ফলত বিস্তৃৰ্ণ অঞ্চল প্লাবিত হৈছে। কালি পুৱা

দবকাৰ কছাৰীপাৰ বুঢ়িগাঁও সংযোগী যমুনা নদীৰ ওপৰত থকা কাঠৰ দলংখন বানত উটি যোৱাৰ ফলত যোগাযোগ বিচ্ছিন্ন হয়। অঞ্চলটোৰ দীঘল জাৰুনি গাঁওখন সম্পূৰ্ণৰূপে প্লাবিত হোৱাত বহু পৰিয়াল বিপদৰ সন্মুখীন হৈছে।

০০০০০০

যোৰহাটৰ চিনামৰা আৰক্ষী চকীৰ অন্তৰ্গত মুৰমুৰীয়াত কালি ভোগদৈ নৈৰ প্ৰবল সোঁতে এজন লোকক উটুৱাই নিয়ে। উটুৱাই নিয়া লোকজন মুৰমুৰীয়া চাহ বাগিচাৰ বিকাশ গোৱালা বুলি জানিব পৰা গৈছে। বাগিচাখনৰ ২৮ নম্বৰ লাইনৰ ভোগদৈৰ ঘাটত নমাৰ পাছতে তেওঁ নদীখনৰ পকনীয়াত সোমাই পৰে। লোকজনক উদ্ধাৰৰ বাবে এছ ডি আৰ এফৰ অভিযান অব্যাহত আছে। ইয়াৰ পূৰ্বে ভোগদৈ নৈত আন দুজন লোক উটি যোৱাৰ পাছত এছ ডি আৰ এফে কালি লোক দুজনৰ মৃতদেহ উদ্ধাৰ কৰিছিল।

০০০০০০০

ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাঙ্গীণ বিকাশৰ লক্ষ্যৰে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে ৰাজ্যৰ প্ৰতিটো বিধানসভা সমষ্টিত দুখনকৈ কৰ্মশালাৰ আয়োজন কৰিছে। ছাত্ৰ-ছাত্ৰীসকলৰ গ্ৰীষ্ম বন্ধৰ সময়চোৱা সৃষ্টিশীল কাম-কাজৰ মাজেৰে পাৰ কৰাৰ লক্ষ্যৰে এই কৰ্মশালাসমূহৰ আয়োজন কৰা হৈছে।

এই উপলক্ষে ধেমাজি জিলা প্ৰশাসনৰ সহযোগত ধেমাজিত কালিৰে পৰা ১৫ দিনীয়াকৈ সত্ৰীয়া নৃত্য আৰু গায়ন-বায়নৰ কৰ্মশালা অনুষ্ঠিত হৈছে। জিলাখনৰ দুটা সামাজিক-সাংস্কৃতিক সংগঠনৰ উদ্যোগত ধেমাজি নলনিপাম প্ৰাথমিক বিদ্যালয়ত আয়োজন কৰা এই কৰ্মশালাত ভালেসংখ্যক শিশু আৰু কিশোৰ-কিশোৰীয়ে অংশগ্ৰহণ কৰিছে। ডিব্ৰুগড় জিলাতো কালিৰে পৰা চাবুৱা ষ্টেডিয়ামত সমৰ কলাৰ গ্ৰীষ্মকালীন প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। চাবুৱাৰ বিধায়ক পোনাকণ বৰুৱাই এই কৰ্মশালাখন শুভাৰম্ভ কৰে। একেদৰে যোৰহাট জিলাতো টিয়ক আৰু যোৰহাট বিধানসভা সমষ্টিত গ্ৰীষ্মকালীন সাংস্কৃতিক কৰ্মশালাৰ শুভাৰম্ভ কৰা হয়। টিয়কৰ কাকজান উচ্চতৰ মাধ্যমিক বালক বিদ্যালয় আৰু যোৰহাট থিয়েটাৰ হলত এই কৰ্মশালা অনুষ্ঠিত হৈছে।

০০০০০০০

ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ অধীনত কালি লখিমপুৰ জিলাৰ ধলপুৰ, পানীগাঁও, দ'লহাট, নাওবৈচা আৰু বিহপুৰীয়া কৃষি চক্ৰত উন্নতমানৰ শালিধানৰ বীজ সিঁচা হয়। সংশ্লিষ্ট কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়া, কৃষি সম্প্ৰসাৰণ সহায়কৰ লগতে কেইবাগৰাকী কৃষকে এই বীজ সিঁচা কাৰ্যত অংশ লয়। ৰাজ্যৰ বানত ক্ষতিগ্ৰস্ত কৃষকসকলক সকাহ দিয়াৰ উদ্দেশ্যে কৃষি বিভাগৰ সামূহিক কঠীয়াতলি স্থাপনৰ বিশেষ কাৰ্যসূচীৰ অধীনত এই বীজ সিঁচা হয়। ইয়াৰ জৰিয়তে কৃষকসকলে উন্নত প্ৰজাতিৰ কঠীয়া বিনামূলীয়াকৈ লাভ কৰিব।

০০০০০০০

**সমাপ্ত**